**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-09-2023
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
Headlines

১। গুৱাহাটীক দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ হিচাপে গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰয়াস চলাই আহিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মত প্ৰকাশ।

২। ১৫৪ সংখ্যক জয়ন্তীত আজি দেশজুৰি জাতিৰ পিতা মহাত্মা গান্ধীক স্মৰণ। ৰাজ্যৰ বিভিন্ন স্থানত আন্তঃৰাষ্ট্ৰীয় অহিংস দিৱস পালন।

৩। চৰকাৰী কৰ্মচাৰী আৰু পেন্সনাৰৰ চিকিৎসা ব্যয় পৰিশোধৰ বাবে মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনাৰ অধীনত আজি মুখ্যমন্ত্ৰীৰ অনলাইন প'ৰ্টেলৰ শুভাৰম্ভণি।

৪। এছিয়ান গেমছত ১৩টা সোণ, ২১টা ৰূপ আৰু ১৯টা ব্ৰঞ্জসহ মুঠ ৫৩টা পদকেৰে পদক তালিকাত ভাৰতৰ এই পৰ্যন্ত চতুৰ্থ স্থান লাভ। আজি ২০০ মিটাৰ দৌৰৰ ফাইনেলত অম্লান বৰগোহাঁইৰ খেল। ***আৰু***

৫। গুৱাহাটীৰ বৰ্ষপাৰা ষ্টেডিয়ামত অনুষ্ঠিত বিশ্বকাপ ক্ৰিকেটৰ প্ৰস্তুতি মেচত আজি বাংলাদেশ ইংলেণ্ডৰ মুখামুখি।

০০০০০০

গুৱাহাটীক দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ হিচাপে গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰে নিৰন্তৰ প্ৰয়াস চলাই আহিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মত প্ৰকাশ কৰিছে। গুৱাহাটীৰ ফাঁচীবজাৰৰ পুৰণি কাৰাগাৰথলীত ৩৬ বিঘা ভূমি সামৰি স্থাপন কৰা উদ্ভিদ উদ্যানখন মুকলি কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি এই কথা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, গুৱাহাটীবাসীৰ জীৱন আৰু সম্পত্তি সুৰক্ষিত কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে সমগ্ৰ চহৰখনতে চিচি টিভি কেমেৰা প্ৰকল্প আৰম্ভ কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ বাবে ৰাজ্যিক কেবিনেটে ইতিমধ্যে ২৫০ কোটি টকাৰ অনুমোদন জনাইছে। গুৱাহাটী মহানগৰীত পৰ্যাপ্ত পৰিমাণৰ ষ্ট্ৰীট লাইট স্থাপন কৰা হ'ব বুলিও তেওঁ কয়। কাছাৰীঘাটৰ ব্ৰহ্মপুত্ৰ নদীৰ পাৰ উন্নয়ন প্ৰকল্পৰ কাম দ্ৰুত গতিত চলাই থকা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে এই কাম অতি সোনকালে সম্পূৰ্ণ হৈ উঠিব। চনমাৰিত থকা জলসম্পদ আৰু জলসিঞ্চন বিভাগৰ মাটিত এখন ৰাজহুৱা উদ্যান গঢ়ি তোলা হ'ব বুলিও তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। বৰবাৰীত নগৰীয়া অৰণ্য নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে বুলি ঘোষণা কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, দীপৰ বিলক আগুৰি থকা ভূমিভাগত মথাউৰি নিৰ্মাণৰ বাবেও আলোচনা অব্যাহত আছে। উক্ত স্থানত চাইকেল চলোৱা, খোজকঢ়া আদি সুবিধাসমূহ জনসাধাৰণৰ বাবে আগবঢ়োৱা হ'ব বুলিও তেওঁ কয়। ফাঁচীবজাৰৰ ওচৰত নিৰ্মাণ কাৰ্য চলি থকা আভ্যন্তৰীণ জল পৰিবহণৰ টাৰ্মিনেল সম্পূৰ্ণ হৈ উঠিলে চহৰখনৰ পৰ্যটনে এটা নতুন দিশেৰে গতি কৰিব আৰু

পৰ্যটকসকলে দক্ষিণ-পূব এছিয়াৰ ৰাষ্ট্ৰ ছিংগাপুৰ, মালয়েছিয়া সদৃশ অভিজ্ঞতা লাভ কৰিব বুলিও তেওঁ কয়।

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি ফাঁচীবজাৰত আনুষ্ঠানিকভাৱে মুকলি কৰা উদ্ভিদ উদ্যানখনত ৮৫ হাজাৰটা প্ৰজাতিৰ গছ-গছনি ৰোপণ কৰা হৈছে। ৫৯ কোটি টকা ব্যয় সাপেক্ষে গঢ়ি উলিওৱা এই উদ্ভিদ উদ্যানখনত ২৩০ বিধ থলুৱা প্ৰজাতিৰ গছ-গছনি ৰোপণ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি উদ্ভিদ উদ্যানখন মুকলি কৰাৰ পূৰ্বে ফাঁচীবজাৰৰ মহাবীৰ ধৰ্মস্থলত শ্ৰীশ্ৰী দিগম্বৰ জৈন পঞ্চায়তৰ উদ্যোগত আয়োজন কৰা ক্ষমাবাণী অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, হিন্দু ধৰ্ম, বৌদ্ধ ধৰ্ম আৰু জৈন ধৰ্ম ভাৰতবৰ্ষত উৎপত্তি হৈছিল আৰু এই তিনিওটা ধৰ্মই অনুশাসন, শুদ্ধ চিন্তা আৰু কৰ্মৰ জীৱন-যাপন কৰিবলৈ অনুপ্ৰাণিত কৰে। জৈন ধৰ্মই এজন ভাল মানুহ হ'বলৈ প্ৰেৰণা যোগায় বুলিও তেওঁ কয়।

oooooooo

দেশে আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৪ সংখ্যক জয়ন্তীত তেওঁৰ প্ৰতি শ্ৰদ্ধা জনাইছে। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে বিদেশতো ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে এই উপলক্ষে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰিছে। ৰাষ্ট্ৰীয় ৰাজধানীৰ ৰাজঘাটত থকা বাপুৰ সমাধিত গান্ধী জয়ন্তী উপলক্ষে সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হৈছে। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে জাতিৰ পিতালৈ শ্ৰদ্ধা জনাইছে। শ্ৰীমতী মুৰ্মুৱে এটা বাৰ্তাত কয় যে মহাত্মা গান্ধীৰ সত্য আৰু অহিংসাৰ দৰ্শনে বিশ্বৰ বাবে এটা নতুন পথ মুকলি কৰি থৈ গৈছে। তেওঁ কয় যে মহাত্মা গান্ধীয়ে তেওঁৰ জীৱনকালত কেৱল অহিংসাৰ বাবে যুঁজ দিয়াই নহয়, বৰং স্বচ্ছতা, মহিলা সৱলীকৰণ, আত্মনিৰ্ভৰশীলতা আৰু কৃষকৰ অধিকাৰৰ হকে থিয় দিয়াৰ লগতে অস্পৃশ্যতা, সামাজিক বৈষম্য আৰু নিৰক্ষৰতাৰ বিৰুদ্ধেও যুঁজ দিছিল। শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে যে গান্ধীজীৱে সকলোকে স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰিবৰ বাবে অনুপ্ৰাণিত কৰিছিল আৰু এটা বৃহৎ আন্দোলনৰ নেতৃত্ব দি ইতিহাসৰ পট পৰিৱৰ্তন কৰিছিল।

উপ-ৰাষ্ট্ৰপতি জগদ্বীপ ধনখড়ে এটা বাৰ্তাত কয় যে মহাত্মা গান্ধীৰ সত্য আৰু অহিংসাৰ নীতি ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে ভাৰতৰ স্বাধীনতা আন্দোলনৰ পথ প্ৰদৰ্শক আছিল। শ্ৰীধনখড়ে জনসাধাৰণক গান্ধীজীৰ মাৰ্গ দৰ্শন অনুসৰণ কৰিবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা বাৰ্তাত কয় যে মহাত্মা গান্ধীৰ আদৰ্শই সমগ্ৰ বিশ্বক অনুপ্ৰাণিত কৰিছে। মানুহৰ সৈতে সংযোগ স্থাপন কৰা আৰু তেওঁলোকক নিজৰ সৈতে সংযুক্ত কৰি ৰখাতো বাপুৰ বিশেষত্ব আছিল বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

দেশে আজি লগতে প্ৰাক্তন প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ জয়ন্তীত তেওঁক শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা বাৰ্তাত কয় যে শাস্ত্ৰীজীক আমাৰ ইতিহাসৰ অতি গুৰুত্বপূৰ্ণ সময়ত তেওঁৰ নেতৃত্বৰ বাবে সদায় স্মৰণ কৰা হ'ব।

অসমতো আজি গান্ধী জয়ন্তী উপলক্ষে বিভিন্ন কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় অহিংস দিৱস পালন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সত্য আৰু অহিংসাৰ পূজাৰী, মহামানৱ মহাত্মা গান্ধীলৈ তেওঁৰ জয়ন্তীত অসমবাসীৰ হৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। গান্ধী জয়ন্তীৰ লগত সংগতি ৰাখি বি টি আৰত শান্ত আৰু সেউজ বড়োলেণ্ডৰ লক্ষ্যৰে এলানি আঁচনি মুকলি কৰা হ'ব। অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে সকলো শিক্ষানুষ্ঠান খোলা ৰাখি আন্তঃৰাষ্ট্ৰীয় অহিংস দিৱসৰ কাৰ্যসূচী পালনৰ নিৰ্দেশ দিছে। কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ উদ্যোগত গান্ধী মণ্ডপত জাতিৰ

পিতাৰ জয়ন্তী উদযাপন কৰা হৈছে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰাৰ কথা। ইপিনে কামৰূপ জিলাৰ আমিনগাঁৱৰ আয়ুক্তৰ কাৰ্যালয়ত গান্ধী জয়ন্তী উপলক্ষে এখন আলোচনা চক্ৰৰ আয়োজন কৰাৰ লগতে ৰঙিয়া আদৰ্শ চিকিৎসালয়তো স্বাস্থ্য মেলাৰ আয়োজন কৰা হৈছে।

০০০০০০০০

সমগ্ৰ দেশতে আজি স্বচ্ছ ভাৰত দিৱস পালন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰেৰণাৰে স্বচ্ছ ভাৰত দিৱসৰ দিনটোৰে সম্পূৰ্ণ স্বচ্ছতাৰ দিশত গুৰুত্ব প্ৰদান কৰাৰ লগতে দেশক আৱৰ্জনামুক্ত হিচাপে গঢ়ি তোলাত শ্ৰমেৰে নিয়োজিত হ'বলৈ জনসাধাৰণক উৎসাহিত কৰি আহিছে। দেশজুৰি যোৱা ১৫ ছেপ্তেম্বৰৰ পৰা চলি থকা স্বচ্ছতা হি সেৱা অভিযানৰ আজি সামৰণি পৰে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি বিয়লি ২ বজাৰ পৰা স্বচ্ছ ভাৰত দিৱসৰ বিভিন্ন কাৰ্যসূচী পালন কৰা হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। আনহাতে, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলো অনুষ্ঠানত উপস্থিত থাকিব। অনুষ্ঠানত ব্যক্তিগত ঘৰুৱা শৌচাগাৰ লাভ কৰা ১ লাখ হিতাধিকাৰীলৈ একত্ৰিতভাৱে প্ৰত্যক্ষ লাভালাভ হস্তান্তৰৰ সুবিধা প্ৰদানৰ লগতে সম্পূৰ্ণ স্বচ্ছতা শীৰ্ষক গীত উন্মোচন কৰা হ'ব। তাৰোপৰি স্বচ্ছতা হি সেৱা -২০২৩, স্বচ্ছ ভাৰত অভিযান গ্ৰামীন আৰু স্বচ্ছ ভাৰত অভিযান নগৰৰ অধীনৰ কাৰ্যসূচীসমূহত শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী জিলা আৰু নগৰীয়া স্থানীয় সংস্থাসমূহলৈ বঁটা প্ৰদান কৰা হ'ব।

০০০০০০০০

ৰাষ্ট্ৰীয় বন্যপ্ৰাণী সপ্তাহৰ লগত সংগতি ৰাখি ৰাজ্যৰ বন বিভাগৰ উদ্যোগত আজিৰে পৰা ৬৯ সংখ্যক বন্যপ্ৰাণী সপ্তাহ পালন কৰা হৈছে। অহা ৮ অক্টোবৰলৈ ৰাজ্যত বন্যপ্ৰাণী সপ্তাহ পালন কৰা হ'ব।

০০০০০০০০

চৰকাৰী কৰ্মচাৰী আৰু পেন্সনাৰৰ চিকিৎসা ব্যয় পৰিশোধৰ বাবে আজি মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনাৰ অধীনত এটা অনলাইন পোৰ্টেল মুকলি কৰা হ'ব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আবেলি ৩ বজাত হ'বলগীয়া এটা অনুষ্ঠানত এই পৰ্টেলটো মুকলি কৰা হ'ব। অনুষ্ঠান মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী কেশৱ মহন্তৰ তথা পৰ্যটন, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাও উপস্থিত থাকিব। উল্লেখযোগ্য যে এই আঁচনিৰ অধীনত ন্যূনতম যোগ্যতা থকা এজন কৰ্মচাৰী বা পেন্সনাৰে নিজৰ পছন্দৰ চিকিৎসালয়ত চিকিৎসা লাভ কৰিবয়। চি জি এইছ এছ আৰ অনুসৰি চিকিৎসাৰ ব্যয় পৰিশোধ কৰিব লাগিব। ইয়াত আগতীয়া আৰু আংশিক পৰিশোধৰ ব্যৱস্থাও থাকিব।

০০০০০০০০

ৰাজ্যৰ মহিলা আৰু শিশু বিকাশ বিভাগে আন্তৰ্জাতিক কন্যা শিশু দিৱসৰ সৈতে সংগতি ৰাখি চাহ বাগিছা অঞ্চলত মাহজোৰা কাৰ্যসূচী ৰূপায়ণ কৰিব। যোৰহাটৰ মৰিয়ণিৰ সোণোৱাল চাহ বাগিছাত কাইলৈ পুৱা ১১ বজাত হ'বলগীয়া এটা বিশেষ অনুষ্ঠানত এই কাৰ্যসূচী মুকলি কৰা হ'ব। ৰাজ্যৰ মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অজন্তা নেওগ মুখ্য অতিথি হিচাপে উপস্থিত থাকিবলগীয়া অনুষ্ঠানত জনসজাগতা সভাৰো আয়োজন কৰা হৈছে। অনুষ্ঠানত সাংসদ কামাখ্যা প্ৰসাদ তাছা, তপন কুমাৰ গগৈৰ লগতে কেইবাগৰাকীও বিধায়কো উপস্থিত থাকিব।

০০০০০০০০

মণিপুৰত শেহতীয়াকৈ দুগৰাকী শিক্ষাৰ্থীৰ নৃশংস হত্যাকাণ্ড সন্দৰ্ভত চাৰিজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। মুখ্যমন্ত্ৰী এন বিৰেন সিঙে কালি এই কথা প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে যোৱা জুলাই মাহৰ পৰা সন্ধানহীন হৈ থকা ফিজাম হেমজিৎ আৰু হিজাম লিনথোইনগাম্বী নামৰ দুগৰাকী শিক্ষাৰ্থী হত্যাকাণ্ডৰ আলোকচিত্ৰ সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছিল। মুখ্যমন্ত্ৰীৰ সচিবালয়ত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে কালি কয় যে কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা-- চিবিআইৰ এটা বিশেষ দলে চাৰিওজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। ইতিমধ্যে এই চাৰিজন অভিযুক্তক গুৱাহাটীলৈ প্ৰেৰণ কৰা হৈছে।

oooooooo

চীনৰ হাংঝৌত চলি এছিয়ান গেমছৰ অষ্টম দিনাৰ অন্তত কালি পৰ্যন্ত ভাৰতে ১৩টা সোণ, ২১টা ৰূপ আৰু ১৯টা ব্ৰঞ্জসহ মুঠ ৫৩টা পদক লাভ কৰি পদক তালিকাৰ চতুৰ্থ স্থানত আছে। আনহাতে ১৩২টা সোণ, ৭২টা ৰূপ আৰু ৩৯টা ব্ৰঞ্জৰ পদকেৰে চীন পদক তালিকাৰ শীৰ্ষত আছে। ৩০টা সোণ, ৩৫টা ৰূপ আৰু ৬০টা ব্ৰঞ্জৰ পদকেৰে দক্ষিণ কোৰিয়া এই তালিকাৰ দ্বিতীয় স্থানত থকাৰ লগতে ২৯টা সোণ, ৪১টা ৰূপ আৰু ৪২টা ব্ৰঞ্জৰ জাপান তালিকাৰ তৃতীয় স্থানত আছে।

পুৰুষৰ ২০০ মিটাৰ দৌৰৰ ফাইনেলত প্ৰৱেশ কৰা অসমৰ অম্লান বৰগোহাঁই আজি সন্ধিয়া ফাইনেলত অৱতীৰ্ণ হ'ব। কালি সন্ধিয়া অনুষ্ঠিত ছেমিফাইনেলত অম্লান বৰগোহাঁয়ে ২১ দশমিক ০৩ ছেকেণ্ডেৰে পঞ্চম স্থানত থাকে যদিও সামগ্ৰিকভাৱে অষ্টম স্থানত থকাত ফাইনেললৈ যোগ্যতা অৰ্জন কৰে। ইপিনে, অসমৰ অস্মিতা চলিহায়ো আজি পুৱা বেডমিণ্টনত অংশগ্ৰহণ কৰে।

বেডমিণ্টনত আয়োজক চীনৰ হাতত ৩-২ ছেটত পৰাস্ত হৈ ইতিমধ্যে ভাৰতে ৰূপৰ পদক লাভ কৰিবলৈ সমৰ্থ হৈছে। স্বৰ্ণ পদকৰ বাবে হোৱা প্ৰতিযোগিতাখনত লক্ষ্য সেন আৰু শ্বাত্বিক ছাইৰাজ ৰেংকিৰেড্ডি আৰু ছিৰাগ ছেট্টিয়ে ভাৰতক ২-০ত অগ্ৰগতি প্ৰদান কৰিছিল। মহিলাৰ ১০০ মিটাৰ হাৰ্ডল ৰেচত এখন বিতৰ্কিত খেলৰ অন্তত জ্যোতি য়াৰ্জিয়ে ৰূপৰ পদক লাভ কৰে। লং জাম্পত ভাৰতৰ শ্ৰীশংকৰ মুৰালিয়ে ৰূপৰ পদক লাভ কৰে। মহিলাৰ ৮০০ মিটাৰ হেপটাথলনত ভাৰতৰ নন্দিনী আগাছাৰাই ব্ৰঞ্জৰ পদক লাভ কৰে। ডিচকাছ থ্ৰোত সীমা পুণিয়াই ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়। এয়া পুণিয়াৰ বাবে এছিয়ান গেমছত তৃতীয়টো পদক। মহিলাৰ ১৫০০ মিটাৰ দৌৰত হাৰমিলান বেইন্সে ৰূপৰ পদক লাভ কৰে। পুৰুষৰ ১৫০০ মিটাৰ দৌৰত অজয় কুমাৰ সৰোজে ৰূপ আৰু জিনচন জনচনে ব্ৰঞ্জৰ পদক পাবলৈ সমৰ্থ হৈছে।

পুৰুষৰ শ্বটপুটত ভাৰতৰ তেজিন্দৰ পাল সিং টোৰে ২০ দশমিক ৬৩ মিটাৰ দলিয়াই স্বৰ্ণপদক লাভ কৰে। ট্ৰেক আৰু ফিল্ড এথলেটিক্সত ভাৰতে প্ৰথমটো সোণৰ পদক লাভ কৰাৰ বিপৰীতে অবিনাশ মুকুন্দ ছেবেলে পুৰুষৰ তিনি হাজাৰ মিটাৰ ষ্টিপলচেজত স্বৰ্ণপদক লাভ কৰি দেশক গৌৰান্বিত কৰে।

পুৰুষৰ শ্বুটিঙৰ ব্যক্তিগত ট্ৰেপত ভাৰতৰ শ্বুটাৰ কাইনান দাৰিয়াছ চেনাইয়ে পদক লাভ কৰে। এক ৰোমাঞ্চকৰ খেলত চেনাইয়ে লেবেল হেডত থাকি ৩২ পইণ্টৰে ব্ৰঞ্জৰ পদক লাভ কৰে। ইয়াৰ পূৰ্বে চেনাইয়ে, যুৱাবৰ সিং সান্ধুই আৰু পৃথিৰাজ টন্দাইমানৰ সৈতে পুৰুষৰ দলীয় ট্ৰেপত ৩৬১ পইণ্টৰে স্বৰ্ণপদক লাভ কৰে। মহিলাৰ ট্ৰেপ ইভেণ্টত ৰাজেশ্বৰী কুমাৰী, মণিষা কীৰ আৰু প্ৰীতি ৰজকে ভাৰতৰ হৈ ৰূপৰ পদক লাভ কৰে। ইয়াৰ লগে লগে ভাৰতৰ শ্বুটিং অভিযানৰ সামৰণি পৰে।

এছিয়ান গেমছৰ নৱম দিনটোক লৈ ভাৰত যথেষ্ট আগ্ৰহী, বিশেষকৈ এথলেটিকছত একাধিক প্ৰতিযোগীতাত ভাৰত চূড়ান্ত খেলত অৱতীৰ্ণ হ'ব। পুৰুষৰ হকীৰ গ্ৰুপ-এ প্ৰতিযোগিতাত ভাৰতে বাংলাদেশৰ বিৰুদ্ধে খেলা বহু প্ৰত্যাশিত খেলখন আজি অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰা হৈছে। টেবুল টেনিছ চেম্পিয়ন সুতীৰ্থ মুখাৰ্জী আৰু আয়িকা মুখাৰ্জীয়ে মহিলাৰ ডাবল্‌ছৰ ছেমি ফাইনেলত আজি উত্তৰ কোৰিয়াৰ বিৰুদ্ধে খেলিব।

oooooooo

গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত বিশ্বকাপ ক্ৰিকেটৰ প্ৰস্তুতি মেচত আজি বাংলাদেশ ইংলেণ্ডৰ মুখামুখি হ'ব। প্ৰথমখন প্ৰস্তুতি মেচত বাংলাদেশে শ্ৰীলংকাক ৭ উইকেটত পৰাস্ত কৰিছিল। আনহাতে বৰষুণৰ বাবে ভাৰত আৰু ইংলেণ্ডৰ মাজৰ শনিবাৰৰ খেলখন বাতিল কৰা হৈছিল। তেনে ক্ষেত্ৰত বিশ্বকাপৰ পূৰ্বে ইংলেণ্ডৰ বাবে আজিৰ খেলখনেই হ'ব অন্তিমখন প্ৰস্তুতি মেচ। কাইলৈ অন্তিমখন প্ৰস্তুতি মেচত শ্ৰীলংকাৰ বিৰুদ্ধে খেলিবলৈ আফগানিস্তান দলটো শনিবাৰে গুৱাহাটীত উপস্থিত হৈছে। ভাৰতীয় দলটোৱে কাইলৈ নেডালেণ্ডছৰ বিৰুদ্ধে অন্তিমখন প্ৰস্তুতি মেচত অংশ ল'বলৈ কালি গুৱাহাটীৰ পৰা তিৰুৱনন্তপুৰমলৈ ৰাওনা হয়।

oooooooo

## Newspaper Review (02-10-2023) Morn.

স্বচ্ছতাৰ দিশত জনসাধাৰণৰ মাজত অধিক সজাগতা সৃষ্টিৰ উদ্দেশ্যে কালি সমগ্ৰ দেশতে স্বচ্ছতা হি সেৱা শীৰ্ষক এঘণ্টাৰ বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাতৰিক অসমীয়া খবৰ, নিয়মীয়া বাৰ্তা, আমাৰ অসমকে ধৰি কেইবাখনো কাকতে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰধান বাতৰি প্ৰকাশ কৰিছে।

স্কুলত ৪২ দিনৰ মাত্ৰ ১০ দিনহে পাঠদান - এই শিৰোনামেৰে দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰধান বাতৰি প্ৰকাশ কৰিছে। ৰাজ্যৰ ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ আৰু চৰাইদেউত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন আফস্পা বাহাল থকাৰ বাতৰিক দ্য চেণ্টিনেল, দি আছাম ট্ৰিবিউনৰ লগতে আজি প্ৰকাশিত প্ৰায়কেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ বিভিন্ন কাম-কাজ সন্দৰ্ভত দৈনিক অসম কাকতে **জনমোহিনী আঁচনিৰে দিছপুৰৰ প্ৰস্তুতি**- এই শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। মণিপুৰত শেহতীয়াকৈ দুগৰাকী শিক্ষাৰ্থীক অপহৰণ আৰু হত্যাৰ ঘটনাৰ সৈতে জড়িত চাৰিজন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ বাতৰিকো কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে। দৈনিক জনমভূমিৰ শিৰোনাম গিনিপিগত পৰিণত লাখ লাখ শিক্ষাৰ্থী ঃ স্কুলত উপৰ্যুপৰি উৎসৱ-কামৰ বোজা। নিয়মীয়া বাৰ্তা কাকতে এ পি এছ চি নিযুক্তি কেলেংকাৰী সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ স্থিতিৰ বাতৰিক দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ হুংকাৰ - এই শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। কাকতখনে দীপৰ বিলৰ চাৰিও দিশে বৰবাৰী পাহাৰত আৰবান ফৰেষ্ট সৃষ্টি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত আন কেতবোৰ বাতৰিৰ ভিতৰত আছে– ৰন্ধন গেছৰ বাণিজ্যিক চিলিণ্ডাৰৰ দাম ২০৯ টকা বৃদ্ধি, বিশ্বপ্ৰসিদ্ধ তেজপুৰ লিচুৰ অধিক উৎপাদনৰ বাবে ২০০ বিঘা কৃষিভূমি সম্প্ৰসাৰণ, চাৰে সাত বছৰত ৰাজ্যত এক লাখ ৭৩ হাজাৰ নাৰীজনিত অপৰাধ আদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

00000000

**সমাপ্ত**